জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ৩৯৪/২০২০

# হোজাই জিলাৰ বান ক্ষতিগ্ৰস্ত এলেকা পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে

## বানত ক্ষতিগ্ৰস্ত বোকাময় পথেৰে গৈ কেইবাটাও আশ্ৰয় শিৱিৰৰ বুজ ল'লে মুখ্যমন্ত্ৰীয়ে

## কপিলী নদীয়ে সৃষ্টি কৰা গৰাখহনীয়া আৰু মথাউৰিৰ চিঙা অংশৰ ক্ষিপ্ৰ মেৰামতিৰ নিৰ্দেশ দিলে মুখ্যমন্ত্ৰীয়ে

**দিছপুৰ, ১ জুনঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি হোজাই জিলাৰ হোজাই ৰাজহ চক্ৰৰ যোগীজান উন্নয়ন খণ্ডৰ অন্তৰ্গত হাতীমৰা পঞ্চায়তৰ বান ক্ষতিগ্ৰস্ত বৃহত্তৰ ৰজাবাৰী এলেকা পৰিদৰ্শন কৰি ক্ষয়-ক্ষতিৰ বুজ লয়। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে কপিলী নদীয়ে সৃষ্টি কৰা গৰাখহনীয়া আৰু মথাউৰিৰ চিঙা অংশ পৰিদৰ্শন কৰি জলসম্পদ বিভাগক জিলা প্ৰশাসনৰ সহযোগত মেৰামতিৰ তাৎক্ষণিক ব্যৱস্থা লোৱাৰ নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে লগতে বানত ক্ষতিগ্ৰস্ত পথসমূহৰ ক্ষিপ্ৰ মেৰামতিৰ পদক্ষেপ ল'বলৈ গড়কাপ্তানি বিভাগক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীয়ে বানপানীৰ ফলত বেয়াকৈ ক্ষতিগ্ৰস্ত বোকাময় পথেৰে গৈ কেবাটাও আশ্ৰয় শিবিৰৰ বুজ লোৱাৰ উপৰি যোগীজান আশ্ৰয় শিবিৰৰ শিশু সকলৰ মাজত পুষ্টিকৰ খাদ্য বিতৰণ কৰে।

উল্লেখ্য যে সাম্প্ৰতিক বানত কপিলী আৰু যমুনা নদীৰ বাঢ়নি পানীয়ে হোজাই জিলাৰ হোজাই, লংকা আৰু ডবকা ৰাজহ চক্ৰৰ বিস্তীৰ্ণ এলেকা প্লাৱিত কৰি হাজাৰ হাজাৰ জনসাধাৰণক ক্ষতিগ্ৰস্ত কৰিছে। সাম্প্ৰতিক বানত এই ৰাজহ চক্ৰ কেইটাৰ ৯৩ খন গাঁৱৰ ৯৪,৪৪৫ সংখ্যক জনসাধাৰণ বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱাৰ উপৰি ৭৬৫০.৫০ হেক্টৰ কৃষি ভূমিৰ শস্য বিনষ্ট হৈছে। বানাক্ৰান্ত সকলৰ বাবে স্থাপন কৰা ৫৪ টা আশ্ৰয় শিবিৰত ১০ হাজাৰতকৈ অধিক বন্যাক্ৰান্তই আশ্ৰয় লৈ আছে।

পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে ক'ভিড-১৯ সংক্ৰমণ প্ৰতিহত কৰাৰ বাবে আশ্ৰয় শিবিৰ সমূহত থকা বানাক্ৰান্ত সকলক যিকোনো মূল্যৰ বিনিময়ত সামাজিক দূৰত্ব বজাই ৰখাকে ধৰি অন্যান্য ক'ভিড-১৯ প্ৰট'কল মানি চলাৰ বাবে আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে আশ্ৰয় শিবিৰত থকা বানাক্ৰান্ত সকলক চিকিৎসকৰ দ্বাৰা নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ ব্যৱস্থা কৰিবলৈ প্ৰশাসনক নিৰ্দেশ দিয়ে। বানাক্ৰান্ত সকলে যাতে খোৱা পানী, খাদ্য ইত্যাদি পৰ্যাপ্ত পৰিমাণে লাভ কৰি থাকে সেইটো নিশ্চিত কৰাৰ পদক্ষেপ ল'বলৈও মুখ্যমন্ত্ৰীয়ে প্ৰশাসনক নিৰ্দেশ দিয়ে।

ইয়াৰ পিছতে বান ক্ষতিগ্ৰস্ত এলেকাত উপস্থিত থকা সাংবাদিকৰ সৈতে মত-বিনিময় কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বানপানী আৰু গৰাখহনীয়াৰ ফলত হোজাই জিলাৰ তিনিটা ৰাজহ চক্ৰৰ বিভিন্ন এলেকাত বিস্তৰ ক্ষতি সাধন হৈছে। ইতিমধ্যে জিলাখনৰ দায়িত্ব থকা মন্ত্ৰী পীযুষ হাজৰিকা, বিধায়ক শিলাদিত্য দেৱ আৰু শিবু মিশ্ৰই প্ৰশাসন আৰু জনসাধাৰণৰ সহযোগত উদ্ধাৰ আৰু সাহায্য অভিযান তৎপৰতাৰে চলাই আছে। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে জলসম্পদ বিভাগে গোটেই বিষয়টো তৎপৰতাৰে গ্ৰহণ কৰি যথোচিত ব্যৱস্থা লৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই মুহূৰ্তত অসমৰ ৩ কোটি ৩০ লাখ জনসাধাৰণে ক'ভিড-১৯ ৰ বিৰুদ্ধে যুঁজ দিছে। এই সময়ত বানপানী আৰু গৰাখহনীয়াৰ দুৰ্যোগ আমাৰ মাজলৈ আহিছে। সাম্প্ৰতিক বানত ৰাজ্যখনৰ ১১ জিলাৰ ৰাইজ ক্ষতিগ্ৰস্ত হৈছে। ৪ লাখ জনসাধাৰণ বানৰ কবলত পৰিছে। এই বানত ধানৰ লগতে মীন পালক সকলো ক্ষতিগ্ৰস্ত হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে বানপানীৰ ফলত হোৱা ক্ষতিৰ বুজ লোৱাৰ বাবে জিলা প্ৰশাসনক নিৰ্দেশ দিয়া হৈছে। আগন্তুক দিনত বান ক্ষতিগ্ৰস্ত সকলক সকাহ প্ৰদানৰ বাবে ৰাজ্য চৰকাৰে নিশ্চিত পদক্ষেপ গ্ৰহণ কৰিব। ৰাজ্যখনৰ বানপানী আৰু গৰাখহনীয়াৰ স্থায়ী সমাধান কল্পে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উত্তৰ পূৰ্বাঞ্চলৰ প্ৰতিখন ৰাজ্যৰ একোগৰাকী বিষয়াৰ অন্তৰ্ভুক্তিৰে নিটি আয়োগৰ উপাধ্যক্ষৰ অধ্যক্ষতাত 'নৰ্থ ইষ্ট ৱাটাৰ মেনেজমেন্ট অথ'ৰিটি' নামৰ এক সংস্থা গঠন কৰি দিছে। এই সংস্থাই অসমৰ লগতে চুবুৰীয়া ৰাজ্যকেইখনৰ বানপানী, গৰাখহনীয়া আৰু ভূমিস্খলন ৰোধ কৰাৰ বাবে বিস্তৃত প্ৰতিবেদন প্ৰস্তুত কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বতে প্ৰথমবাৰৰ বাবে উত্তৰ পূৰ্বাঞ্চলৰ এই সমস্যাৰাজিৰ সমাধান কল্পে এনেধৰণৰ সংস্থা গঠন কৰা হৈছে। আগন্তুক দিনত ৰাজ্যখনৰ লগতে চুবুৰীয়া ৰাজ্যসমূহে এই দিশত যথেষ্ট সুফল লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে। ৰাজ্যৰ বানপীড়িত সকললৈ সকলো ধৰণৰ সহায়-সহযোগিতা আগবঢ়োৱাৰ দিশত ৰাজ্য চৰকাৰে জিলা প্ৰশাসনৰ উদ্যোগত তথা স্থানীয় বিধায়ক, সাংসদ তথা জনপ্ৰতিনিধিৰ সহযোগত ক্ষিপ্ৰ পদক্ষেপ লৈছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়।

আজিৰ এই বানাক্ৰান্ত অঞ্চল পৰিদৰ্শনৰ সময়ত স্বাস্থ্য বিভাগৰ ৰাজ্যিক মন্ত্ৰী পীযুষ হাজৰিকা, বিধায়কদ্বয় ক্ৰমে শীলাদিত্য দেৱ, শিবু মিশ্ৰ, জলসম্পদ বিভাগৰ দায়িত্বত থকা অতিৰিক্ত মুখ্যসচিব ছৈয়দ্দিন আব্বাচী, হোজাই জিলাৰ উপায়ুক্ত, আৰক্ষী অধীক্ষককে ধৰি প্ৰশাসনৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত থাকে।

**প্ৰঃকুঃবঃ / বঃভাঃ/ পুঃডেঃ**
**১/৬/২০২০**